# বজালীত প্ৰচলিত মন্ত্ৰ — সংৰক্ষণ আৰু প্ৰত্যাহ্বান

হীৰেন দাস
অতিথি অধ্যাপক
ভট্টদেৱ বিশ্ববিদ্যালয়, বজালী
dashiren385@gmail.com

**সংক্ষিপ্তসাৰ ঃ** *নামনি অসমৰ বৰপেটা জিলাৰ এটি উল্লেখনীয় অঞ্চল হ'ল বজালী। এই বজালী অঞ্চল প্ৰাচীন কালৰে পৰা তন্ত্ৰপ্ৰধান। সেয়ে বজালী নামটো বেজালী > বজালি > বজালী হৈছে বুলি কয়।[১] গতিকে ক'ব পাৰি, বজালী অঞ্চলৰ বিভিন্ন স্থানত অনেক মন্ত্ৰ সিঁচৰতি হৈ আছে। গতিকে এই মন্ত্ৰসমূহ মানুহৰ মুখৰ পৰা উদ্ধাৰ কৰি তাৰ এক সাহিত্যিক মূল্যায়ন কৰাৰ লগতে মন্ত্ৰসমূহক সংৰক্ষণ কৰি ৰাখিব পাৰিলে, লোক-সংস্কৃতিৰ যথাৰ্থ চৰ্চা হ'ব বুলি অনুভৱ হয়। এনে এক মহৎ উদ্দেশ্য লৈ এই গৱেষণা পত্ৰখনি প্ৰস্তুত কৰা হৈছে।*
*সূচকশব্দ ঃ মন্ত্ৰ, মন্ত্ৰৰ বিলুপ্তি, মন্ত্ৰ সংৰক্ষণ।*

**১.০০ অৱতৰণিকা ঃ** অসমীয়া লোকসাহিত্যত মন্ত্ৰসাহিত্য সমূহে এক বিশেষ স্থান অধিকাৰ কৰি আছে। এই মন্ত্ৰসমূহৰ সৃষ্টি কেতিয়া ক'ত হৈছিল, তাক সঠিককৈ ক'ব নোৱাৰি যদিও বৈদিক যুগৰ পৰাই যে মন্ত্ৰসাহিত্যসমূহৰ ব্যৱহাৰ হৈছিল, তাক অনুমান কৰিব পাৰি। দৰাচলতে, মন্ত্ৰসমূহৰ সৰহভাগে বিভিন্ন দেৱ-দেৱীৰ নামত উৎসৰ্গিত বা দেৱ-দেৱীৰ শপত লৈ গোৱা হয়। মন্ত্ৰসমূহৰ জৰিয়তে অসমীয়া লোকসমাজত চিকিৎসাৰ ব্যৱস্থা, অপায়-অমংগল আদি ভিন্ন কামত ব্যৱহাৰ কৰা হৈছিল। এই দিশলৈ লক্ষ্য ৰাখি মানৱ সমাজৰ কল্যানৰ বাবে গোৱা মন্ত্ৰক সুফল মন্ত্ৰ আৰু মানৱসমাজৰ অমঙ্গল বা অকল্যানৰ বাবে গোৱা মন্ত্ৰক কুফল মন্ত্ৰ বুলি দুই ভাগত বিভক্ত কৰিব পাৰি। লোক-সংস্কৃতি অৰ্থাৎ লোকসাহিত্য গভীৰ অধ্যয়ন তথা সংৰক্ষণৰ বাবে দুয়োবিধ মন্ত্ৰৰে চৰ্চা কৰাৰ প্ৰয়োজন আছে।

**১.০১ অধ্যয়নৰ গুৰুত্ব ঃ** পাশ্চাত্য দেশবোৰত লোক-সংস্কৃতি সম্পৰ্কে যিমান গৱেষণাকাৰ্য সম্পন্ন হৈছে, সেয়ে অনুপাতে ভাৰতবৰ্ষত বিশেষকৈ অসমত ক্ষেত্ৰভিত্তিক অধ্যয়নৰ যোগেদি গৱেষণা হোৱা দেখা নাযায়। অৱশ্যে, দুই এজন গৱেষকে লোকসংস্কৃতি-সংযুক্ত মন্ত্ৰসমূহৰ বিষয়ে গুৰুত্ব আৰোপ কৰি দুই-এটি প্ৰবন্ধ বিভিন্ন আলোচনী, বাতৰি কাকত আদিত প্ৰকাশ কৰিছে যদিও, সেয়া পৰ্যাপ্ত আলোচনা নহয়। সাম্প্ৰতিক বিজ্ঞান-প্ৰযুক্তিবিদ্যাৰ দ্ৰুত অগ্ৰগতিয়ে মন্ত্ৰসমূহৰ লগতে লোকসংস্কৃতিৰ অনেক অমূল্য সম্পদ নিঃশেষ কৰিব ধৰিছে। গতিকে এনে এক জটিল পৰিপ্ৰেক্ষিতত মন্ত্ৰসমূহৰ ক্ষেত্ৰভিত্তিক অধ্যয়নৰ গুৰুত্ব অস্বীকাৰ কৰিব নোৱাৰি।

**১.০২ অধ্যয়নৰ উদ্দেশ্য আৰু পদ্ধতি ঃ** বজালী অঞ্চলত মন্ত্ৰসমূহৰ বিষয়ে এতিয়ালৈ কোনেও গৱেষণা বা ইয়াক কোনেও উদ্ধাৰ কৰা নাই। গতিকে এই মন্ত্ৰসমূহ উদ্ধাৰ কৰি অসমীয়া মন্ত্ৰসাহিত্যৰ পৰিধি বিস্তৃত কৰাই এই গৱেষণা পত্ৰখনিৰ মূল উদ্দেশ্য। ইয়াৰ বাবে বৰ্ণনাত্মক আৰু বিশ্লেষণাত্মকপদ্ধতি প্ৰয়োগ কৰি গৱেষণা পত্ৰখনি প্ৰস্তুত কৰা হ'ব।

**১.০৩ বিষয়ৰ পৰিধি ঃ** বজালী অঞ্চলৰ উত্তৰে জালাহ, দক্ষিণত বৰপেটা আৰু সৰ্থেবাৰী, পূৱত নলবাৰী আৰু পশ্চিমত বৰনগৰ চাৰ্কোল আছে। ২০১১ চনৰ লোকপিয়ল অনুযায়ী ইয়াৰ জনসংখ্যা ২৫,৩৭৪৪ জন।[২] গতিকে, এই বিশাল ভূখণ্ডৰ মাজত প্ৰচলিত বেজ-বেজালীৰ মুখৰ পৰা উদ্ধাৰিত মন্ত্ৰসমূহ গৱেষণা পত্ৰখনিত স্থান দিয়া হ'ব।

**১.০৪ তথ্য আহৰণৰ উৎস ঃ** ক্ষেত্ৰভিত্তিক অধ্যয়নৰ জৰিয়তে লাভ কৰা অভিজ্ঞতাক মুখ্য উৎস হিচাপে লোৱাৰ পৰিৱৰ্তে

১। শৰ্মা, ভূপেন্দ্ৰ নাথ (সম্পাদনা) ঃ 'বজালী দৰ্পণ'ত মুণীন্দ্ৰ নাথ শৰ্মাৰ প্ৰবন্ধ 'বজালীৰ ঐতিহাসিক পটভূমি', পৃ ঃ৯

২। তথ্য ঃ ভূপেশ শৰ্মা, জ্যেষ্ঠ সহায়ক, বজালী মহকুমাধিপতিৰ কাৰ্যালয় (চিভিল), দিনাংক ঃ ০২-০১-২০১৯ ইং চন।

বিভিন্ন গ্ৰন্থ, আলোচনী, ইন্টাৰনেট আদি গৌণ উৎস ৰূপে গন্য কৰা হ'ব।

**২.০০ বজালী অঞ্চলত প্ৰচলিত মন্ত্ৰ ঃ** পূৰ্বতে উল্লেখ কৰা হৈছে যে, বজালী অঞ্চল তন্ত্ৰপ্ৰধান। এই অঞ্চলৰ সৰহভাগ ঠাই গাওঁ অঞ্চলে আৱৰি আছে। গাওঁৰ অধিকসংখ্যক লোকে কৃষিজীৱী। গতিকে এওঁলোকৰ চিন্তা-চৰ্চা লোকমন বা লোকপ্ৰাণৰ আধাৰত পৰিচালিত। গাওঁৰ সৰসংখ্যক মানুহৰে অপায়-অমঙ্গল নাশৰ বাবে একমাত্ৰ চিকিৎসক বেজ-বেজালী। গাওঁৰ মানুহৰ শিৰবাগৰা, মোচোকাখোৱা, শিকালৰা আদিৰ বেদনাত ভুগিলে বেজালীৰ ওচৰলৈ যায়। বেজালীয়ে হাতৰ তলুৱাত মিঠাতেল লৈ বেজাৰ পোৱা স্থানত তললৈ পিহি পিহি মন্ত্ৰ মাতে —[৩]

কচ্চা ৰান্ধি কচ্চা খাই
যহলৰ[৪] কচ্চা সহলৈ[৫] যাই
শিৰ তন্‌কা/শিৰবাগ্‌ৰা/হাড় ভাঙা
সকলো তন্‌কা মন্‌কা পানী আম্‌কাৰ[৬] অন্তৰ হৈ যা
মহাদেৱ পাৰ্ৱতীৰ মাথা খা ।। ফুঃ ফুঃ ফুঃ

একেদৰে, মুখ লগা বা নজৰ লাগিলে বেজে আদা বা চেনী বা পানী জাৰি দি মন্ত্ৰ মাতে এইদৰে —[৭]

এৰাৰ খুঁটা বেন্নাৰ বেৰা
লাৎথি[৮] মাৰি এৰি যায় লুহাৰ[৯] দইজ্জা[১০]
চক্‌চকীয়া ভক্‌ভকীয়া
আম্‌কাৰ মুখ লাগা পানী হৈ যা ।। ফুঃ ফুঃ ফুঃ

বিঃদ্ৰঃ- আদা বা চেনী লোৰ অস্ত্ৰৰে জাৰিব লাগে। পানী জাৰিলেও লোৰ অস্ত্ৰৰে জাৰিব লাগে। ৰাতিপুৱাই নৈৰ তিনিটা ঘাটলৈ গৈ সেই ঘাটত কোনো লোকে পানীৰ স্পৰ্শ নকৰোতে, ভাটি মুৱাকৈ তিনিটা পাত্ৰত পানী আনি সেই পানীখিনি একেটাপাত্ৰতে লৈ জাৰিব লাগে। জৰা পানী, আদা বা চেনী দিনটোত তিনিবাৰ খাব লাগে।

ইয়াৰ উপৰি, বজালী অঞ্চলৰ মানুহৰ মাছ খাওঁতে ডিঙিত মাছৰ কাঁইট লাগিলে বজালীৰ বেজে মিঠাতেল মাছ খাওঁতাৰ ডিঙিত লগাই সোহাতেৰে তললৈ পিহি পিহি মন্ত্ৰ মাতে — [১১]

সাতসাগৰৰ মাজত
শিমলু বাহ

তাতে কৰুৱাৰ বাহা[১২]
কৰুৱাই মাছ খায়
কৰুৱানী হাগে

৩। সংবাদদাতা ঃ ৰাজেন নাথ, বয়স- ৬৪, ভোজকুছিয়াপাৰা, বজালী। দিনাংক - ০৯-০৩-২০১৯ ইং চন।

৪। যহলৰ — যিপিনৰ (শব্দাৰ্থ)

৫। সহলৰ — সিপিনৰ (শব্দাৰ্থ)

৬। আম্‌কাৰ — যাৰ হৈছে তেওঁৰ নাম (শব্দাৰ্থ)

৭। সংবাদদাতা ঃ ৰাতুল নাথ, বয়স- ৩৭ , ভোজকুছিয়াপাৰা, বজালী। দিনাংক - ০৯-০৩-২০১৯ ইং চন।

৮। লাৎথি — ভৰিৰে ঠেলি দিয়া কাৰ্য (শব্দাৰ্থ)

৯। লুহাৰ — লোৰ (শব্দাৰ্থ)

১০। দইজ্জা — দৰ্জা (শব্দাৰ্থ)

১১। প্ৰাগুক্ত সংবাদদাতা ।

১২। বাহা — বাহ (শব্দাৰ্থ)

আম্‌কাৰ গলৰ [১৩] কাটা [১৪]
সাগৰত ভাহে।। ফুঃ ফুঃ ফুঃ

একেদৰে, শিঙিমাছে বিন্ধিলেও বিন্ধা ঠাইত বিষ কমাবৰ বাবে বজালীৰ বেজে এইদৰে মন্ত্ৰ মাতি জাৰে -[১৫]

শিঙি শিঙি মাগুৰা
বাপে পুতে হাগুৰা
তৰ[১৬] ঘৰ কত ? নলৰ তলত
চাঙ্‌লীত চালো কুলাত জাৰু
যতে বিন্ধে সেই ঠাইত বিষ মাৰু।। ফুঃ ফুঃ ফুঃ

বজালীৰ মানুহৰ সাপ খুঁটিলে বেজে বিষ চোৰাৰ বাবে হাত জৰা মন্ত্ৰ মাতে এইদৰে -[১৭]

এত কাটে বেত কাটে
নাভি কাটে
চল হাত চল
আম্‌কাৰ যলে বিহ আছে
তালে হাত চল।। ফুঃ ফুঃ ফুঃ

মেল, মোকৰ্দমা, বিপদৰ সন্মুখীন হ'লে তাৰ পৰা পৰিত্ৰাণ পাবলৈ বজালীৰ বেজে মন্ত্ৰ মাতে -[১৮]

মহিলু মহিলু বান
মহিনী মহিনীয়ে ৰাখে জগতখন

দণ্ড চক্র ধৰি ৰাজাক মহিলু প্ৰজাক মহিলু
মহিলু সভাৰে লক [১৯]
থিতাতেই বহি আম্‌কাক মহিলু
কাইকি [২০] কৰিব মক [২১]
হে গুৰু পাৰ ৰক্ষা কৰা
কামৰূপ কামাক্ষা মা।। ফুঃ ফুঃ ফুঃ

এনেদৰে, বজালী অঞ্চলৰ বেজ-বেজালীৰ মুখত অনেক মন্ত্ৰ প্ৰচলিত হৈ থকা পৰিলক্ষিত হয়।

**৩.০০ মন্ত্ৰৰ সংৰক্ষণ আৰু প্ৰত্যহ্বান ঃ** আধুনিক প্ৰযুক্তি বিদ্যাৰ দ্ৰুত অগ্ৰগতিৰ ফলস্বৰূপে মন্ত্ৰসমূহ আমাৰ সমাজৰ পৰা হেৰাই যাব ধৰিছে। বৰ্তমান বিজ্ঞান সন্মত চিকিৎসা ব্যৱস্থাৰ ফলস্বৰূপে বেজ-বেজালীৰ পৰা ক্ৰমশঃ চিকিৎসা লোৱা-দিয়া পদ্ধতি নিঃশেষ হ'ব ধৰিছে ইয়াৰ উপৰি, সমাজৰ মাজত থকা কিছুমান লোকবিশ্বাস যেনে - বেজ-বেজালীৰ দ্বাৰা প্ৰচলিত মন্ত্ৰসমূহ যদি কেনেবাকৈ অইন সাধাৰণ মানুহৰ জ্ঞাত হয়, তেতিয়া মন্ত্ৰসমূহৰ হয়তো গুণ নধৰা হ'ব; বেজালীজনৰ জনপ্ৰিয়তা

১৩। গলৰ — ডিঙিৰ (শব্দাৰ্থ)
১৪। কাটা — কাঁইট (শব্দাৰ্থ)
১৫। সংবাদদাতা ঃ ৰাজেন নাথ, প্ৰাগুক্ত পৰিচয়।
১৬। তৰ — তোৰ (শব্দাৰ্থ)
১৭। প্ৰাগুক্ত সংবাদদাতা।
১৮। প্ৰাগুক্ত সংবাদদাতা।
১৯। লক — লোক (শব্দাৰ্থ)
২০। কাইকি — কোনে কি (শব্দাৰ্থ)
২১। মক — মোক (শব্দাৰ্থ)

হ্ৰাস পাব, বেজালীজনৰ বাণিজ্যিক ক্ষতি হ'ব — আদি অনেক দুঃচিন্তাৰ বাবেও মন্ত্ৰসমূহ বেজ-বেজালী মুখৰ পৰা সঠিক ৰূপত উদ্ধাৰ কৰিব পৰা নাই। আনপিনে, বেজৰ পুত্ৰ বেজালী হ'ব নিবিচৰাৰ বাবেও মন্ত্ৰসমূহৰ এভাগ নিঃচিহ্ন হৈ যোৱাৰ অপ্ৰিয় সত্য কথাও অস্বীকাৰ কৰিব নোৱাৰি। যাৰ ফলস্বৰূপে, মন্ত্ৰসমূহক সঠিক ৰূপত উদ্ধাৰ কৰাত কৃতকাৰ্যতা লাভ কৰিব পৰা নাই। ইয়াৰ বাবে আমাৰ সমাজ ব্যৱস্থাৰ পৰা বেজ-বেজালীবোৰ ক্ৰমশঃ এনে এশএবুৰি সমস্যাৰ বাবে হেৰাই যাব ধৰিছে।

**৪.০০ উপসংহাৰ ঃ** মন্ত্ৰসমূহৰ এক বিশেষ বৈশিষ্ট্য হ'ল ইয়াৰ গোপনীয়তা। এনে গোপনীয়তাৰ বাবে হয়তো গোপন ভাৱেই অনেক মন্ত্ৰ নিঃচিহ্ন হৈ গৈছে। তথাপি আমি ক্ষেত্ৰসমূহলৈ গৈ মন্ত্ৰ সমূহ ভিন্ন প্ৰকাৰে উদ্ধাৰ কৰাৰ আপ্ৰাণ চেষ্টা কৰিব লাগিব। এই প্ৰসংগত নবীন চন্দ্ৰ শৰ্মাৰ এষাৰ কথা প্ৰণিধানযোগ্য — লোকসংস্কৃতিৰ পদ্ধতিগত চিন্তা-চৰ্চাৰ বাবে প্ৰয়োজন ক্ষেত্ৰসমল। গতিকে, ক্ষেত্ৰলৈ গৈ জনগণৰ মুখ পৰম্পৰা প্ৰচলিত গীত-পদ, কাহিনী, প্ৰৱচন, যোজনা আদি সংগ্ৰহ কৰিব নোৱাৰিলে বাচিককলাৰ চিন্তা-চৰ্চা সম্পূৰ্ণ নহয় আৰু বাচিককলাৰ প্ৰসংগ (Context) স্বৰূপে ভূমিকা গ্ৰহণ

কৰি অহা লোকজীৱনৰ (Folklife) পৰা সমল সংগ্ৰহ কৰি সেইবোৰৰ পুংখানুপংখ বিচাৰ-বিশ্লেষণ কৰিব নোৱাৰিলে লোকবিদ্যা বা লোকসংস্কৃতিৰ পৰিপূৰ্ণ চিন্তা-চৰ্চা হ'ব নোৱাৰে।[২২] সেয়ে ক্ষেত্ৰভিত্তিক লোকসংস্কৃতিৰ বিচাৰ-বিশ্লেষণৰ দ্বাৰাহে অসমৰ লোকসংস্কৃতিৰ প্ৰকৃত অধ্যয়ন সম্ভৱ হ'ব। অন্যথা বিশ্বৰ অইন দেশৰ তুলনাত অসমৰ লোকসংস্কৃতিৰ বিচাৰ-বিশ্লেষণ পিছ পৰি যাব।

২২। শৰ্মা, নবীন চন্দ্ৰ ঃ লোকসংস্কৃতি, পৃষ্ঠা ঃ ২৮৫

**সহায়ক গ্ৰন্থপঞ্জী ঃ**

১। তালুকদাৰ, ধীৰেন্দ্ৰ ঃ বজালীৰ শব্দকোষ। পাঠশালা ঃ পাঠশালা সাহিত্য সভা, ২০১০। প্ৰকাশিত।

২। শৰ্মা, নবীন চন্দ্ৰ ঃ লোকসংস্কৃতি। গুৱাহাটী ঃ চন্দ্ৰ প্ৰকাশ, ২০১৩। প্ৰকাশিত।

৩। শৰ্মা, ভূপেন্দ্ৰ নাথ (সম্পাদনা) ঃ বজালী দৰ্পণ, স্মৃতিগ্ৰন্থ, অসম সাহিত্য সভা, ত্ৰিপঞ্চাশত্তম অধিৱেশন ১৯৮৬ ইং চন। প্ৰকাশিত।